
Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৩

ভাৰতবৰ্ষৰ ভূগোল

অংশ – ১

শ্ৰাৱণী দেৱী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতবৰ্ষৰ পৰিচয়

- ভাৰত এখন গুৰুত্বপূৰ্ণ দেশ।
- পৃথিৱীৰ উত্তৰ গোলার্ধত অৱস্থিত।
- এছিয়া মহাদেশত অৱস্থিত।
- বিশ্বৰ এখন বৃহৎ গণতান্ত্রিক দেশ।
- ই বৈচিত্র্যৰে ভৰি আছে।
- জলবায়ু, ভৌতিক পৰিৱেশ আৰু আৰ্থ-সামাজিক অৱস্থাৰ তাৰতম্যৰ বাবেই এনে বৈচিত্র্য স্পষ্ট হৈ পৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ৰৰফেৰে আবৃত হিমালয়ত অতি শীতল জলবায়ু আৰু ৰাজস্থানৰ শুকান বালিময় মৰুঅঞ্চলত অতিপাত গৰম জলবায়ু।
- কোনো কোনো ঠাইত প্ৰচণ্ড বৰষুণৰ বাবে বানপানীৰ সৃষ্টি হোৱাৰ বিপৰীতে কিছুমান অঞ্চলত খৰাঙৰ বাবে তীব্ৰ পানীৰ নাটনি হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বহল পাতৰ গছ থকা গভীৰ অৰণ্য আৰু পাতবিহীন কাঁইটীয়া জোপোহা অঞ্চল আছে।
- জলবায়ু, মাটি আৰু গছ-গছনিৰ তাৰতম্য ওখ পাহাৰত নিম্ন অঞ্চললৈকে স্পষ্টভাৱে লক্ষ্যণীয়।
- ভাৰতীয় ভূখণ্ডত পৰ্বত, পাহাৰ, মালভূমি, সমভূমি, আদি বিভিন্ন ভূ-অৱয়ৱৰ বৈচিত্ৰ্য আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এনে ভৌতিক বৈচিত্র্যই দেশত সামাজিক আৰু অৰ্থনৈতিক ভিন্নতাও আনিছে।
- কোনো কোনো ঠাইত সামাজিক আৰু আৰ্থিকভাৱে পিছপৰা কিছুমান সমাজ আছে আৰু ইয়াৰ বিপৰীতে দেশৰ আন কোনো ঠাইত কিছু আধুনিক নগৰীয়া সমাজো বৃদ্ধি পাইছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- ভাৰতত ভিন্ন ভাষা, সাজ-পোছাক, খাদ্যাভ্যাস আৰু সামাজিক ৰীতি-নীতিৰে বিভিন্ন মানৰ গোটৰ বিভিন্ন সমাজ আছে। এনে বৈচিত্ৰই ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ মূল বৈশিষ্ট্য।
- যদিও আমাৰ দেশত ইমান বৈচিত্ৰ্য আছে, তথাপিও ই এক যুক্ত ৰাষ্ট্ৰীয় সাৰ্বভৌম দেশ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ঐক্য আৰু অখণ্ডতা এই দেশৰ পৰম্পৰা।
- এই সকলোবোৰ বৈচিত্র্যৰ মাজত সকলো ভাৰতীয়ৰ মনত একতাৰ ভাৱৰ সৃষ্টি হৈছে।
  - অতীতৰ পৰা উত্তৰাধিকাৰী সূত্রে লাভ কৰা শক্তিশালী সাংস্কৃতিক ভিত্তি
  - প্রচলিত মৌচুমী জলবায়ুৰ দ্বাৰা গঢ় দিয়া প্রাকৃতিক সাদৃশ্য
  - উন্নত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ সৈতে আধুনিক যুগৰ বাণিজ্য
  - একক ৰাষ্ট্রনীতি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অৱস্থিতি আৰু আকাৰ

- এছিয়া বিশ্বৰ সৰ্ববৃহৎ মহাদেশ।
- ভাৰত এই মহাদেশৰ দক্ষিণ অংশত অৱস্থিত।
  - ইয়াৰ উত্তৰত উচ্চ হিমালয় আৰু চীন অৱস্থিত;
  - দক্ষিণে ভাৰত মহাসাগৰ আৰু শ্ৰীলংকা;
  - পূবত বঙ্গোপসাগৰ আৰু ম্যানমাৰ
  - পশ্চিমত আৰব সাগৰ আৰু পাকিস্তান।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতীয় ভূখণ্ডৰ বিস্তৃতি —
  - কাশ্মীৰৰ পৰা কুমাৰিকালৈকে ইয়াৰ উত্তৰা-দক্ষিণা সম্প্রসাৰণ
  - অৰুণাচল প্রদেশৰ পৰা সৌৰাষ্ট্রলৈকে ইয়াৰ পূবা-পশ্চিমা সম্প্রসাৰণ।
  - ৮°৪′২৮″ উত্তৰ আৰু ৩৭°১৭′৫৩″ উত্তৰ অক্ষাংশ
  - ৬৮°৭′৩৩″ পূব আৰু ৯৭°২৪′৪৭″পূব দ্রাঘিমাংশৰ মাজত দ্রাঘিমাংশলৈ বিস্তৃত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২৩°৩০′ উত্তৰ অক্ষাংশ (কৰ্কট ক্ৰান্তি ৰেখা)—

- দেশৰ সোঁমাজেৰে পাৰ হৈ গৈছে।
- দেশখনক সমানে উত্তৰ আৰু দক্ষিণ অংশত বিভক্ত কৰা হৈছে।
- দক্ষিণৰ অংশটো পূবে বঙ্গোপসাগৰ আৰু পশ্চিমে আৰব সাগৰৰ মাজত অৱস্থিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতৰ ভূখণ্ডৰ —

- উত্তৰা-দক্ষিণা সম্প্ৰসাৰণ ৩,২১৪ কিলোমিটাৰ।
- পূব-পশ্চিম সম্প্ৰসাৰণ ২,৯৩৩ কিলোমিটাৰ।

ভাৰতৰ প্ৰায় ৬,১০০ কিলোমিটাৰ দৈর্ঘ্যৰ উপকূলৰেখা আছে —

- পূবত বঙ্গোপসাগৰ
- পশ্চিমে আৰব সাগৰ
- দক্ষিণে ভাৰত মহাসাগৰ।


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই উপকূলৰ কাষে কাষে বৃহৎ সংখ্যক বন্দৰ অৱস্থিত।
- ভাৰতে চুবুৰীয়া দেশৰ সৈতে স্থল সীমা ভাগ কৰে।
- ভাৰতৰ মুঠ ১৫,২০০ কিলোমিটাৰ দৈর্ঘ্যৰ স্থল সীমা আছে।
- পশ্চিমে পাকিস্তান, উত্তৰত চীন, নেপাল আৰু ভূটান, পূবত চীন আৰু দক্ষিণ-পূবত বাংলাদেশ আৰু ম্যানমাৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভূ-প্ৰকৃতি

- ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ।
- এই দেশত প্ৰায় সকলো ধৰণৰ ভূঅৱয়ৱ আছে।
- পৰ্বত, পাহাৰ, মালভূমি, সমভূমি আদি প্ৰধান ভূঅৱয়ৱৰ লগতে ইয়াৰ সৰু সৰু ভূঅৱয়ৱে দেশক উল্লেখযোগ্য ভৌগোলিক বৈশিষ্ট্য প্ৰদান কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মোটামুটিকৈ,

- পর্বতমালা ১০.৭%
- পাহাৰেৰে ১৮.৬%,
- মালভূমিৰে ২৭.৭%
- সমভূমিৰে ৪৩.৩% আগুৰি আছে।

- উচ্চ হিমালয় আৰু ইয়াৰ শাখাবোৰ ভাৰতৰ সমগ্র উত্তৰ আৰু উত্তৰ-পূব সীমাত থিয় হৈ আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই পৰ্বতমালা অঞ্চলৰ ভূঅৱয়ৱ —

- সু-উচ্চ পৰ্বতৰ শৃঙ্গ
- তুষাৰ নৈ
- থিয় গিৰিখাত
- জলপ্ৰপাত আদি।

* নিম্ন উচ্চতাৰ পাহাৰবোৰ হিমালয়ৰ পাদ দেশেত বিস্তৃত হৈ আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অন্যান্য প্ৰধান পৰ্বতমালা —

- আৰাৱলী
- বিন্ধ্য
- সাতপুৰা
- মহাদেৱ
- মহাকাল
- পূৰ্ব ঘাট
- পশ্চিম ঘাট আদি।

- দক্ষিণ ভাৰতৰ এটা বিস্তৃত মালভূমি অঞ্চল আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই মালভূমি অঞ্চলটোক দাক্ষিণাত্য মালভূমি বুলি কোৱা হয়।
- ভাৰতবর্ষত বিস্তৃত সমভূমি আছে।
- উত্তৰ হিমালয়ৰ পৰা বৈ অহা নদী আৰু ইয়াৰ উপনৈসমূহে উত্তৰ ভাৰতত বিশাল সমভূমি সৃষ্টি কৰিছে।
- সিন্ধু, গংগা-ব্রহ্মপুত্র নদী আৰু ইয়াৰ অসংখ্য উপনৈসমূহে সৃষ্টি কৰা বিশাল উর্বৰ সমভূমিক সিন্ধু-গংগা-ব্রহ্মপুত্র সমভূমি বুলি জনা যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- আকৌ ৰাজস্থানৰ সমভূমি ভাৰতৰ পশ্চিম অংশত অৱস্থিত।
- এই সমভূমিখন শুকান আৰু বালিময়।
- ইয়াক থৰ মৰুভূমি বুলি জনা যায়।
- ভাৰতৰ পূব আৰু পশ্চিম উপকূলত সংকীর্ণ উপকূলীয় সমভূমি আছে।
- ভাৰতত হ্রদৰ সংখ্যা কম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মুখ্য হ্ৰদ —

- কাশ্মীৰৰ উলাৰ;
- ৰাজস্থানত পুষ্কৰ আৰু সম্বৰ;
- উৰিষ্যাত চিল্কা;
- তামিলনাড়ুৰ কোলাৰ আৰু পলিকট;
- মণিপুৰ লগটক।

- বৃহৎ সংখ্যক নদীৰ বাবে ভাৰত বিখ্যাত।
- ইয়াক নদী ভূমি বুলি জনা যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- গংগা আৰু ব্ৰহ্মপুত্ৰৰ দৰে ডাঙৰ নদীৰ উপৰিও ভালে সংখ্যক ডাঙৰ নদী আছে।
- গংগা আৰু ব্ৰহ্মপুত্ৰ উত্তৰ ভাৰতৰ প্ৰধান নদী।
- নৰ্মদা, তাপ্তী, মহানদী, গোদাবৰী, কৃষ্ণা আৰু কাবেৰী দক্ষিণ ভাৰতৰ প্ৰধান নদী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

উত্তৰ ভাৰতীয় নদী আৰু দক্ষিণ ভাৰতীয় নদীৰ মাজত কিছু পাৰ্থক্য আছে, যেনে —

(ক) উত্তৰ ভাৰতীয় নদীবোৰ বৰফেৰে আবৃত ওখ পৰ্বতৰ পৰা ওলাই অহাৰ বাবে গোটেই বছৰটোতে পানীৰ সোঁত থাকে;
কিন্তু দক্ষিণ ভাৰতৰ নদীসমূহ সাধাৰণতে তুলনামূলকভাৱে কম উচ্চতাৰ পাহাৰ আৰু মালভূমিৰ পৰা উৎপত্তি হয়। গতিকে, শীতকালত এইবোৰ শুকাই যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



(খ) উত্তৰ ভাৰতীয় নদীৰ গতি পথৰ ৩টা সুস্পষ্ট ভাগ থাকে উচ্চ গতি, মধ্য গতি আৰু নিম্ন গতি-
কিন্তু, দক্ষিণ ভাৰতৰ নদীৰ ক্ষেত্রত এই তিনিটা গতি স্পষ্টকৈ দেখা নাযায়।

(গ) উত্তৰ ভাৰতীয় নদীৰ উপত্যকা বহল। যিহেতু এই নদীবোৰ বহুদূৰ সমভূমিৰ মাজেৰে বৈ যায় সেয়েহে এইবোৰত যাতায়ত কৰিব পৰা যায়;

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিন্তু দক্ষিণ ভাৰতৰ নদীৰ উপত্যকা তুলনামূলকভাৱে সংকীর্ণ আৰু নদীবোৰ দ্রুতগতিত বয়। সেয়েহে ইহঁত যাতায়ত কৰিব পৰা নাযায়।

(ঘ) দক্ষিণ ভাৰতৰ নদীবোৰ পুৰণি। দাক্ষিণাত্য মালভূমিৰ কঠিন শিলৰ ওপৰেৰে নির্দিষ্ট গতিৰে বৈ আছে।

গতিকে, এই নদীবোৰে সঘনাই নিজৰ সুঁতি সলনি নকৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এইবোৰৰ প্লাৱনভূমি সংকীর্ণ;
আনহাতে উত্তৰ ভাৰতৰ নদীসমূহ বয়সৰ
ফালৰ পৰা তুলনামূলকভাৱে নতুন আৰু
এইবোৰে সঘনাই নিজৰ সুতি সলনি কৰে।
গতিকে, এইবোৰৰ প্লাৱন ভূমি বহল।
(ঙ) উত্তৰ ভাৰতৰ নদীবোৰ খৰস্রোতা নহয়।
ইহঁতে অধিক পলসৰ বোজা কঢ়িয়াই লৈ
ফুৰে। গতিকে, এই নদীবোৰ জলবিদ্যুৎ
উৎপাদনৰ বাবে ইমান উপযোগী নহয়;

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিন্তু দক্ষিণ ভাৰতৰ নদীবোৰ খৰস্রোতা নদী। ইহঁতে গেদ কম পৰিমাণে কঢ়িয়াই। সেয়েহে এই নদীসমূহ জলবিদ্যুৎ উৎপাদনৰ বাবে অতি উপযোগী।

(চ) উত্তৰ ভাৰতীয় নদীবোৰৰ অৱবাহিকা উৰ্বৰ সেয়েহে এইবোৰ ঘন জনবসতিপূৰ্ণ; দক্ষিণ ভাৰতৰ নদীৰ উপত্যকা তুলনামূলকভাৱে কম উৰ্বৰ। সেয়েহে তাত জনসংখ্যাৰ ঘনত্ব কম নহয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(ছ) উত্তৰ ভাৰতৰ নদীসমূহ নাব্য হোৱাৰ বাবে বহু চহৰ ইয়াৰ পাৰত গঢ়ি উঠিছে; অন্যহাতে দক্ষিণ ভাৰতৰ নদীসমূহ নাব্য নহয়।
গতিকে, এইবিলাকৰ পাৰত ডাঙৰ চহৰ দেখা নাযায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(জ) উত্তৰ ভাৰতৰ নদীসমূহ সাধাৰণতে বহুত দীঘলীয়া আৰু ইহঁতৰ মোহনাত বিস্তৃত ব-দ্বীপ গঠন হৈছে।

দক্ষিণ ভাৰতৰ নদীসমূহ তুলনামূলকভাৱে চুটি। মাত্ৰ কম সংখ্যক নদীৰ মোহনাত ব-দ্বীপৰ সৃষ্টি হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ নদীসমূহে নিজৰ ভিন্ন বৈশিষ্ট্যৰে দেশৰ ভূ-প্ৰকৃতিৰ অহৰহ পৰিৱৰ্তন সাধন কৰি আহিছে।
- নদীসমূহৰ খনন, পৰিবহণ আৰু অৱক্ষেপন কাৰ্য্যকলাপৰ প্ৰভাৱ ভূঅৱয়ৱৰ গঠনৰ ওপৰত দেখা যায়।
- ভাৰতৰ ভূ-প্ৰকৃতি অতি বৈচিত্ৰময়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভূ-প্রকৃতিৰ গঠন আৰু বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ভাৰতক ৪টা ভূ-প্রাকৃতিক ভাগত ভাগ কৰিব পাৰি —
  - (i) উত্তৰৰ হিমালয় পার্বত্য অঞ্চল
  - (ii) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল
  - (iii) দাক্ষিণাত্য মালভূমি অঞ্চল
  - (iv) উপকূলীয় অঞ্চল
- এই ৪টা অঞ্চলৰ উপৰিও বঙ্গোপসাগৰ আৰু আৰব সাগৰৰ ভাৰতৰ অন্তর্গত দ্বীপসমূহক বেলেগ ভূ-প্রাকৃতিক গোট হিচাপে ধৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো


(ক) উত্তৰৰ হিমালয় পার্বত্য অঞ্চল

- হিমালয় বিশ্বৰ সর্বোচ্চ পর্বত।
- ইয়াৰ বহুতো ঠাল-ঠেঙুলি আছে।
- এই পর্বত মালা ভাৰত, নেপাল, ভূটান আৰু চীন দেশলৈ বিস্তৃত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইয়াত কেৱল ভাৰতৰ অন্তৰ্গত হিমালয় পৰ্বত মালাৰ বিষয়ে আলোচনা কৰা হ'ব।



সাধাৰণ হিমালয় পার্বত্য অঞ্চল (চিহ্নিত অংশ)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



হিমালয় পার্বত্য অঞ্চলৰ এটা অংশৰ ছবি।

mg

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতৰ হিমালয় অঞ্চল দেশৰ উত্তৰ অংশত অৱস্থিত।

ইয়াৰ বিস্তৃত —


- নঙ্গ পৰ্বত (কাশ্মীৰ)ৰ পৰা পূব-পশ্চিম দিশত অৰুণাচল প্রদেশৰ পূব সীমা পর্যন্ত বিস্তৃত ।

দৈর্ঘ্য — প্রায় ২৫০০ কিলোমিটাৰ

প্রস্থ — ২৪০ কিলোমিটাৰৰ পৰা ৫০০ কিলোমিটাৰলৈকে

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- প্ৰায় ৫,০০,০০০ কিলোমিটাৰ এলেকা সামৰি লৈছে
- গড় সমুদ্ৰপৃষ্ঠৰ পৰা উচ্চতা — ৮,০০০ মিটাৰতকৈ অধিক
- ভূতত্ত্ববিদসকলে নিশ্চিত কৰিছে যে হিমালয় পৰ্বতমালাৰ সৃষ্টি হৈছিল টাৰচিয়েৰি যুগত।
- বৰ্তমানৰ হিমালয় পৰ্বত য'ত থিয় হৈ আছে, সেই স্থানত লাখ লাখ বছৰৰ আগতে এটা সমুদ্ৰই দখল কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই সাগৰৰ নাম টেথিছ সাগৰ।
- এই সাগৰৰ উত্তৰ আৰু দক্ষিণে দুটা প্ৰাচীন ভূখণ্ড আছিল।
- উত্তৰ ভূখণ্ডক আংগাৰালেণ্ড বুলি জনা যায়।
- দক্ষিণৰ ভূখণ্ডক গণ্ডোৱানালেণ্ড বুলি জনা যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই দুটা ভূখণ্ডৰ পৰা খনন হোৱা পলস টেথিছ সাগৰৰ তলত জমা হৈছিল।
- কালক্রমত গধুৰ হোৱা গেদবোৰৰ হেচাত দুটা ভূ-খণ্ড ওচৰ চাপি আহে।
- অর্থাৎ উত্তৰ দিশৰ ভূ-খণ্ড দক্ষিণ দিশলৈ আৰু দক্ষিণৰ ভূ-খণ্ড উত্তৰ দিশলৈ গতি কৰিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইয়াৰ ফলত গেদবোৰ চেপা খাই ওপৰলৈ উঠি আহিছিল আৰু পিছলৈ কঠিন হৈ পৰ্বতৰ ৰূপ লৈছিল।
- এই প্ৰক্ৰিয়াৰে হিমালয়ৰ জন্ম হোৱা বুলি বিশ্বাস কৰা হয়।
- সেয়েহে হিমালয়ক ভঙ্গিল পৰ্বত বুলি কোৱা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই পৰ্বতমালা বহুকেইটা পৰ্বত গঠনকাৰী প্ৰক্ৰিয়াৰ ফলত বিকশিত হৈছিল।
- এইদৰে ভূতত্ত্ববিদসকলে মতামত দিছে যে প্ৰায় যোৱা ৭০ লাখ বছৰ ধৰি চলি থকা পৰ্বত নিৰ্মাণ প্ৰক্ৰিয়াৰ ফলত হিমালয়ে বৰ্তমানৰ আকৃতি, আকাৰ আৰু উচ্চতা লাভ কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- হিমালয়ৰ পৰ্বতমালা টাৰচিয়াৰি যুগৰ সহজে ক্ষয়প্ৰাপ্ত হোৱা কোমল শিলেৰে গঠিত।
- গতিকে, হিমালয়ৰ পৰা সৃষ্টি হোৱা নদীবোৰে বিপুল পৰিমাণৰ গেদ কঢ়িয়াই লৈ আনে।
- হিমালয়ৰ ওখ শৃংগবোৰ বৰফেৰে আবৃত।
- এই বৰফৰ পৰাই হিমবাহৰ উৎপত্তি হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- হিমালয় অঞ্চলত এনেধৰণৰ বহু হিমবাহ আছে।
- বেছিভাগ হিমবাহৰ দৈর্ঘ্য ৩ৰ পৰা ৫ কিলোমিটাৰ।
- এই হিমবাহবোৰেই হিমালয়ৰ পৰা ওলাই অহা অসংখ্য নদীৰ মূল উৎস।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পূব-পশ্চিম দিশত হিমালয়ক ৩টা সমান্তৰাল শাৰীত ভাগ কৰিব পাৰি —

- উচ্চ হিমালয়
- মধ্য হিমালয়
- শিৱালিক হিমালয় বা বহিঃ হিমালয়

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

উচ্চ হিমালয় —

- একেবাৰে উত্তৰ অংশত পূবা- পশ্চিমাকৈ বিস্তৃত।
- এই বৰফেৰে আবৃত পৰ্বতমালাৰ গড় উচ্চতা প্ৰায় ৬,০০০ মিটাৰ।
- এইবোৰ অতি থিয় ।
- ক্ৰমান্বয়ে উত্তৰ দিশলৈ ঢাল খাই গৈ শেষত চীনৰ তিব্বত মালভূমিৰ লগত মিলিত হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মধ্য হিমালয় —

- উচ্চ হিমালয়ৰ ঠিক দক্ষিণে থকা পর্বত শ্রেণী।
- ইয়াৰ গড় উচ্চতা ৪,০০০ মিটাৰ
- ইয়াৰ প্রস্থ ৬০ৰ পৰা ৮০ কিলোমিটাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শিৱালিক হিমালয় বা বহিঃ হিমালয় —

- দক্ষিণ দিশত ক্ষুদ্ৰ হিমালয়ৰ কাষৰীয়া শাৰীত।
- তুলনামূলকভাৱে উচ্চতা কম।
- গড় উচ্চতা ১০০০মিটাৰ।
- পৰ্বতমালাৰ উচ্চতা ক্ৰমান্বয়ে দক্ষিণ দিশলৈ কমি যায় আৰু অৱশেষত গংগা-ব্ৰহ্মপুত্ৰৰ সমভূমিৰ লগত মিলিত হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৫ৰ পৰা ৫০ কিলোমিটাৰ প্ৰস্থৰ বহিঃ হিমালয়ে নামনি অঞ্চলকো সামৰি লৈছে।
- উত্তৰ-পূব ভাৰতৰ পূব আৰু দক্ষিণাংশও পাহাৰ আৰু পৰ্বতমালাৰ দ্বাৰা আৱৰি আছে।
- এই পৰ্বতবোৰ হিমালয়ৰ লগত সংলগ্ন হোৱাৰ বাবে ইহঁতক হিমালয় পৰ্বতমালাত অন্তৰ্ভুক্ত কৰিব পাৰি।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। ভাৰতৰ সো-মাজেৰে পাৰ হৈ ৰেখাডালৰ নাম কি ?

(ক) কর্কটক্রান্তি

(খ) মকৰক্রান্তি

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। হিমালয় পর্বত কোনটো যুগত সৃষ্টি হৈছিল

ক) টাৰচিয়াৰি

খ) কার্বনিফেৰাছ

গ) মেছজয়িক